# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 20-06-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰত ৫ হাজাৰ ৯০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। চৰকাৰে জনজাতীয় সম্প্ৰদায়সমূহৰ উন্নয়নৰ বাবে প্ৰায় ২ লাখ ৫০ হাজাৰ কোটি টকা ব্যয় কৰিছে বুলি কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে প্ৰকাশ কৰিছে।

৩। ছিক্কিমত আজি আৰম্ভ হ'বলগীয়া কৈলাশ মানসৰোবৰ যাত্ৰাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

৪। ইজৰাইল আৰু ইৰাণৰ মাজত বিগত ৭ দিন ধৰি চলি থকা যুদ্ধখন অধিক তীব্ৰতৰ হৈ উঠিছে।

*আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তেণ্ডুলকাৰ- এণ্ডাৰছন ট্ৰফী ৫ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি লীডছৰ হেডিংলি ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিহাৰলৈ যাব। এই ভ্ৰমণ কালত ছিৱান জিলাৰ পঞ্চৰুখী উন্নয়ন খণ্ডৰ অধীনৰ যছৌলিত এখন জনসভাত ভাষণ দিব। শ্ৰীমোদীয়ে যছৌলিৰ পৰাই ভিডিঅ' কনফাৰেন্সি ব্যৱস্থাৰে নগৰ উন্নয়ন, পুতিজল উপচাৰ, প্ৰধানমন্ত্ৰী আৱাস যোজনা আৰু ৰে'লৱেৰ সৈতে জড়িত ৫ হাজাৰ ৯০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০০

ৰাষ্ট্ৰীপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তিনিদিনীয়া ভ্ৰমণসূচীৰে কালি ডেৰাডুনত উপস্থিত হৈছে। জলীগ্ৰাণ্ট বিমান বন্দৰত কালি ৰাজ্যপাল লেফটেনেণ্ট জেনেৰেল গুৰমীত সিং, মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামী আৰু অন্যান্য প্ৰতিনিধিসকলে ৰাষ্ট্ৰপতিগৰাকীক আদৰণি জনায়। শ্ৰীমতী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি নিকেতনত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। উল্লেখযোগ্য যে, ৰাষ্ট্ৰপতি নিকেতন আৰু ৰাষ্ট্ৰপতি তপোবন অহা ২৪ জুনৰ পৰা সাধাৰণ জনতাৰ দৰ্শনৰ বাবে মুকলি ৰখা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ এই ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত ডেৰাডুনত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কালি সন্ধিয়া বেংগালুৰুত উপস্থিত হৈছে। কালি শ্ৰীশ্বাহে বিজেপিৰ জ্যেষ্ঠ নেতা আৰু কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বি. এছ. য়েদুৰাপ্পাক সাক্ষাৎ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে আজি আদি চুনচানগিৰি বিশ্ববিদ্যালয়ৰ বেংগালুৰু চৌহদটো উদ্বোধন  কৰিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে তেওঁ বিশ্ববিদ্যালয়খনৰ বেংগালুৰু চৌহদ উদ্বোধন কাৰ্যসূচীত উপস্থিত থাকিব।

ইয়াৰ পাছত শ্ৰীশ্বাহে অহা ২২ জুনত দুদিনীয়া কাৰ্যসূচীৰে চত্তিশগড়লৈ যাব। অভ্যন্তৰীণ সুৰক্ষা আৰু অঞ্চলটোৰ বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ অংশহিচাপে শ্বাহ ৰাজ্যখনলৈ যাব। তেওঁৰ এই ভ্ৰমণে বাওপন্থী সন্ত্ৰাসবাদ ৰোধ কৰাৰ লগতে ৰাজ্যখনৰ স্পৰ্শকাতৰ আৰু পিছপৰা জিলাসমূহৰ বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজৰ সহযোগীতা অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

ooooo

চৰকাৰে জনজাতীয় সম্প্ৰদায়সমূহৰ উন্নয়নৰ বাবে প্ৰায় ২ লাখ ৫০ হাজাৰ কোটি টকা ব্যয় কৰিছে বুলি কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে প্ৰকাশ কৰিছে। আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ প'ডকাষ্টত মন্ত্ৰীগৰাকীয়ে কয়, যে এই ধনৰাশি বিভিন্ন মন্ত্ৰালয়ে জনজাতীয় সম্প্ৰদায়সমূহৰ উন্নয়নৰ বাবে ব্যয় কৰিছে।

ooooo

ছিকিমত আজি আৰম্ভ হ'বলগীয়া কৈলাশ মানসৰোবৰ যাত্ৰা সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে  সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে।  পুৰা নাথুলা পাচত ৰাজ্যপাল ওম প্ৰকাশ মাথুৰে এই যাত্ৰাৰ শুভাৰম্ভ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ দুজন বিষয়াৰ সৈতে ৩৬ জন তীৰ্থযাত্ৰীৰে গঠিত প্ৰথমটো দলে আজি যাত্ৰা আৰম্ভ কৰিব।  আমাৰ সংবাদদাতাই  জনোৱা অনুসৰি প্ৰতিটো যাত্ৰা সম্পূৰ্ণ কৰিবলৈ ১০ৰ পৰা ১১ দিন সময় লাগিব।  ছিকিমৰ নাথুলাৰ পৰা এইবাৰ মুঠতে ১০টা দলে পৃথকে পৃথকে কৈলাশ মানসৰোবৰ অভিমুখে যাত্ৰা কৰিব।  পাঁচ বছৰৰ বিৰতিৰ অন্তত এই যাত্ৰা  পুনৰ আৰম্ভ কৰা হৈছে।  ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন সংস্থাই একত্ৰিত হৈ সকলো তীৰ্থযাত্ৰীৰ কোনো অসুবিধা নোহোৱাকৈ সুচাৰুৰূপে এই যাত্ৰা হ'ব বুলি নিশ্চিতি প্ৰদান কৰিছে। আমাৰ সংবাদদাতাই জনোৱা মতে, পথচোৱাত যাত্ৰী আৱদ্ধ হৈ পৰিলে তাৎক্ষণিকভাৱে উদ্ধাৰ কৰাৰ বাবে বিশেষ হেলিকপ্টাৰ সাজু কৰা হৈছে।  ইয়াৰ পূৰ্বে শুকুৰবাৰে আৱদ্ধ হৈ থকা সকলো পৰ্যটকক চাটেনৰ পৰা বিমানেৰে উদ্ধাৰ কৰা হৈছিল।

ooooo

যোগাভ্যাস জীৱনশৈলী, মাথোঁ এদিনীয়া অনুষ্ঠান নহয় বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী প্ৰতাপৰাও যাধৱে আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে জনসাধাৰণে তেওঁলোকৰ জীৱনত যোগভ্যাসক অন্তৰ্ভুক্ত কৰা উচিত আৰু পৰিয়ালৰ সদস্যসকলক যোগভ্যাস কৰিবলৈ উৎসাহিত কৰা উচিত।

ooooo

ইন্দোৰৰ ব্যৱসায়ী ৰাজা ৰঘূৱংশীৰ লোমহৰ্ষক হত্যাকাণ্ডৰ মূল অভিযুক্ত সোনম ৰঘূৱংশী আৰু ৰাজ কুশ্বাহাক শ্বিলঙৰ এখন স্থানীয় আদালতে কালি দুদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰিছে। এই গোচৰৰ আন তিনিজন অভিযুক্তক ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে। কালি আদালতত হাজিৰ কৰোৱাৰ পূৰ্বে আটাইকেইগৰাকী অভিযুক্তকে স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

ooooo

ইজৰাইল আৰু ইৰাণৰ মাজত বিগত ৭ দিন ধৰি চলি থকা যুদ্ধখন অধিক তীব্ৰতৰ হৈ উঠিছে। ইজৰাইলে কালি তেহৰাণত থকা ইৰাণৰ অভ্যন্তৰীণ সুৰক্ষা মুখ্য কাৰ্যালয়ক লক্ষ্য কৰি আক্ৰমণ চলায়। ইয়াৰ বিপৰীতে ইৰাণ দক্ষিণ ইজৰাইলৰ এখন চিকিৎসালয়ত ক্ষেপনাস্ত্ৰৰে আঘাট সানে। দুয়োখন দেশে পৰস্পৰৰ গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানসমূহক লক্ষ্য কৰি আক্ৰমণ চলাই আছে। শেহতীয়া ইতিহাসত দুয়োখন দেশৰ মাজৰ পোনপটীয়া সামৰিক সংঘৰ্ষৰ ভিতৰত এইবাৰৰ সংঘৰ্ষ অধিক ভয়াৱহ ৰূপে পৰিগণিত হৈছে।

ইজৰাইলৰ সেনাই কালি তেহৰাণ আৰু কৰাজৰ চৰকাৰী প্ৰতিষ্ঠান তথা ফ্যায়াম বিমান বন্দৰক লক্ষ্য কৰি ক্ষেপনাস্ত্ৰ নিক্ষেপ কৰে। ইৰাণে দক্ষিণ ইজৰাইলৰ বীৰছেৱাৰ ছৰোকা চিকিৎসালয়ৰ ওপৰত চলোৱা আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে এই আক্ৰমণ চলোৱা হয়। এই চিকিৎসালয়খন ইজৰাইলী সৈনিকৰ চিকিৎসাৰ মূল কেন্দ্ৰ। আক্ৰমণত চিকিৎসালয়খনৰ ব্যাপক ক্ষতিসাধন হয় যদিও ইৰাণৰ আক্ৰমণৰ আশংকা কৰি চিকিৎসালয়খনৰ বেছিভাগ অংশ পূৰ্বতেই খালী কৰোৱাৰ বাবে জন-ধনৰ ক্ষতি সীমিত হয়।

ইপিনে, ইৰাণৰ সৰ্বোচ্চ নেতা আয়তুল্লা আলি খামেনইয়ে আমেৰিকাক যুদ্ধত ভাগ ল'লে গম্ভীৰ পৰিণতি ভুগিব লাগিব বুলি সকীয়াই দিছে। ইউৰোপীয় দেশসমূহে ইৰাণৰ পাৰমাণৱিক কাৰ্যসূচী বন্ধ কৰাত গুৰুত্ব আৰোপ কৰি দুয়োখন দেশকে উত্তেজনা হ্ৰাস কৰাৰ বাবে কূটনৈতিক পন্থা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। ইৰাণৰ পাৰমাণৱিক কাৰ্যসূচী সন্দৰ্ভত নতুনকৈ আলোচনা আৰম্ভ কৰাৰ দাবী বৃদ্ধি পাইছে। ইফালে ইউৰোপীয় সংঘই ইজৰাইল আৰু ইৰাণত থকা তেওঁলোকৰ জনসাধাৰণক নিৰাপদে আঁতৰাই অনাৰ প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিছে।

ooooo

বিগত ৫ বছৰত ভাৰত গোলকীয় পৰ্য্যায়ত শক্তি উৎপাদনৰ সামৰ্থ্যৰ দিশৰ পৰা চীন আৰু আমেৰিকাৰ পাছত তৃতীয় সৰ্ববৃহৎ ৰাষ্ট্ৰৰূপে পৰিগণিত হৈছে। আন্ত-ৰাষ্ট্ৰীয় শক্তি সংস্থা আই ই এৰ শেহতীয়া প্ৰতিবেদন অনুসৰি, ব্যৱসায়িক আৰু আৱাসিক স্থানৰ সম্প্ৰসাৰণ, শীত-তাপ নিয়ন্ত্ৰণ আৰু অন্য ঘৰুৱা বৈদ্যুতিক আহিলাৰ বৰ্ধিত ব্যৱহাৰ তথা উদ্যোগৰ বৰ্ধিত চাহিদাই এই বিকাশত অৰিহণা যোগাইছে। দেশত নৱীকৰণযোগ্য শক্তিৰ বৰ্ধিত আকৰ্ষণকেই শক্তি উৎপাদনৰ সামৰ্থ্য বৃদ্ধিৰ মূল কাৰক বুলি প্ৰতিবেদনখনত উল্লেখ কৰা হৈছে। প্ৰতিবেদনখনত নিকা শক্তি বিশেষকৈ সৌৰ ফটোভলেটিক প্ৰকল্পৰ বিনিয়োগ উল্লেখনীয়ভাৱে বৃদ্ধি পোৱা বুলি কোৱা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি লণ্ডনত অনুষ্ঠিত বিশ্ব ব্লিট্‌জ দবা প্ৰতিযোগিতাৰ ছেমি ফাইনেলত বিশ্বৰ ১ নম্বৰ স্থানৰ হ'উ য়িফানৰ বিৰুদ্ধে জয়লাভ কৰা প্ৰতিভাৱান খেলুৱৈ দিব্যা দেশমুখক অভিনন্দন জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টযোগে দিব্যাৰ সাফল্যই খেলুৱৈগৰাকীৰ একাগ্ৰতা আৰু নিষ্ঠাক প্ৰতিফলিত কৰা বুলি মন্তব্য কৰিছে। দিব্যাৰ জয়ে উদীয়মান দবা খেলুৱৈসকলক অনুপ্ৰাণিত কৰিব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ লগতে খেলুৱৈগৰাকীৰ ভৱিষ্যতৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

ooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ তেণ্ডুলকাৰ- এণ্ডাৰছন ট্ৰফী ৫ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি লীডছৰ হেডিংলি ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। বিৰাট কোহলী আৰু ৰোহিত শৰ্মাই টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণৰ পাছৰ এই ইংলেণ্ড ভ্ৰমণেৰে শুভমন গীল নেতৃত্বাধীন ভাৰতীয় দলে নতুন অধ্যায়ৰ পাতনি মেলিব। প্ৰথমখন খেল আৰম্ভ হোৱাৰ পূৰ্বে উপ-অধিনায়ক ঋষভ পণ্টে কয়, যে অধিনায়ক গীলৰ সৈতে খেল পথাৰৰ বাহিৰৰ মিত্ৰতাই এই শৃংখলাত সহায় কৰিব।

বিৰাট কোহলী আৰু ৰোহিত শৰ্মাৰ অৱসৰৰ বিষয়ে উল্লেখ কৰি পণ্টে কয়, যে খেলুৱৈ দুগৰাকীৰ অনুপস্থিতিয়ে ব্যৱধানৰ সৃষ্টি কৰিব যদিও এয়া নতুন সংস্কৃতি গঢ়াৰ সুযোগৰূপে পৰিগণিত হ'ব।

ooooo

জেভলিনৰ বিশ্ব চেম্পিয়ন নীৰজ চোপ্ৰাই কাইলৈ ফ্ৰান্সৰ পেৰিছত হ'বলগীয়া ডায়মণ্ড লীগ প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই প্ৰতিযোগিতা ভাৰতীয় সময় অনুসৰি নিশা ১ বাজি ১২ মিনিটত আৰম্ভ হ'ব। ডোহাৰ পাছত নীৰজৰ চলিত খেলবৰ্ষত এয়া দ্বিতীয়খন ডায়মণ্ড লীগ প্ৰতিযোগিতা হ'ব। ডোহাত যোৱা মে'ত অনুষ্ঠিত ডায়মণ্ড লীগ প্ৰতিযোগিতাত খেলুৱৈগৰাকীয়ে ৯০ দশমিক ২-৩ মিটাৰলৈ জেভলিন নিক্ষেপ কৰি প্ৰথমবাৰৰ বাবে ৯০ মিটাৰৰ মাইলৰ খুঁটি অতিক্ৰম কৰিছিল। অৱশ্যে খেলুৱৈগৰাকীয়ে প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰিছিল। এই প্ৰতিযোগিতাত জাৰ্মানীৰ জুলিয়ন ৱেবৰে ৯১ দশমিক ০-৬ মিটাৰলৈ জেভলিন নিক্ষেপ কৰি প্ৰথম স্থান অধিকাৰ কৰিছিল। ৱেবৰেও প্ৰথমবাৰৰ বাবে ৯০ মিটাৰতকৈ অধিক দূৰত্বলৈ জেভলিন নিক্ষেপ কৰিবলৈ সমৰ্থ হৈছিল।

ooooo

**সমাপ্ত**